# ৰুদ্ৰাণী শৰ্মাৰ *কাঁহিবুনৰ মালিতা* উপন্যাসত প্ৰতিফলিত অভিবাসী নাৰীৰ সামাজিক অৱস্থান

***বনিশা শইকীয়া***

*অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়, অসম*

*Correspondence :* E-mail : saikia.bonisha@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

সামাজিক অৱস্থানে এখন সমাজত ব্যক্তিৰ ভূমিকা অনুসৰি তেওঁৰ স্থিতিক প্ৰতিফলিত কৰে। প্ৰত্যেক সমাজতে পুৰুষ আৰু নাৰী উভয়ে কিছুমান গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিবলগীয়া হয়। তথাপি এখন সমাজত পুৰুষৰ তুলনাত নাৰীক প্ৰায়ে অৱদমিত কৰি ৰখাৰ প্ৰয়াস দেখিবলৈ পোৱা যায়। অসমৰ তথাকথিত মূলসুঁতিৰ পৰা আঁতৰত থকা এটি প্ৰান্তীয় জনগোট হৈছে অভিবাসী মুছলমানসকল। উক্ত প্ৰান্তীয় জনগোটটোৰ নাৰীসকলে প্ৰতিটো দায়িত্ব সুকলমে পালন কৰাৰ পিছতো পুৰুষতান্ত্ৰিক মানসিকতাৰ বাবে নিপীড়িত হৈ আহিছে। বিশেষকৈ পূৰ্ববংগীয় মুছলমান সমাজখনৰ নিৰক্ষৰতা আৰু অসচেতনতাই নাৰীৰ জীৱন অত্যন্ত শোচনীয় কৰি তুলিছে। লিংগ বৈষম্যৰ সন্মুখীন হোৱা নাৰীসকলে অনগ্ৰসৰতা, পুৰুষতান্ত্ৰিক মানসিকতা, নিৰক্ষৰতা ইত্যাদি কাৰণত স্বাধীনতাৰ পূৰ্বৰে পৰা সাম্প্ৰতিক সময়লৈকে সমস্যাসমূহৰ সৈতে সহবাস কৰিবলগীয়া হৈছে। সাহিত্যই সমাজক প্ৰতিফলিত কৰি ইতিবাচক আৰু নেতিবাচক দিশসমূহ উন্মোচনেৰে নতুন চিন্তাৰ প্ৰকাশ ঘটায়। এই অধ্যয়নত ৰুদ্ৰাণী শৰ্মাৰ *কাঁহিবুনৰ মালিতা* উপন্যাসৰ আধাৰত অভিবাসী নাৰীৰ সামাজিক অৱস্থান সম্পৰ্কে বিশ্লেষণ কৰা হৈছে। সাহিত্যৰ সমাজতত্ত্বৰ অন্তৰ্গত সমাজ বিশ্লেষণ পদ্ধতিৰ সহায়ত অভিবাসী সমাজখনত নাৰীৰ সামাজিক অৱস্থান, নাৰীৰ প্ৰতিৰোধ আৰু নাৰীকেন্দ্ৰিক সমস্যাৰ সম্ভাব্য সমাধান সম্পৰ্কে উপন্যাসখনৰ আধাৰত অধ্যয়ন কৰাটোৱে হৈছে প্ৰস্তুত গৱেষণা পত্ৰখনিৰ মূল উদ্দেশ্য। পূৰ্ববংগীয় সমাজখনত শিক্ষা আৰু স্বাস্থ্য সম্পৰ্কীয় সজাগতাৰ অভাৱ, ধৰ্মীয় গোড়ামি আৰু পুৰুষতান্ত্ৰিকতাৰ ফলত নাৰীসকলে যথেষ্ট কষ্ট ভোগা পৰিলক্ষিত হৈছে। এই সমাজখনত কমসংখ্যক নাৰীয়েহে নিজৰ অধিকাৰৰ প্ৰতি সচেতন হৈ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে আত্মৰক্ষাৰ উদ্দেশ্যে একধৰণৰ প্ৰতিৰোধ অব্যাহত ৰাখিছে। পূৰ্ববংগীয় সমাজখনৰ সৰ্বাংগীন বিকাশৰদ্বাৰা নাৰীসকলৰ সমস্যা সমাধানৰ বাবে অসমৰ জনসাধাৰণ আৰু এই সমাজখনৰ শিক্ষিত চামটোক পদক্ষেপ গ্ৰহণ কৰিবলৈ জনোৱা আহ্বান উপন্যাসখনত প্ৰতিফলিত হৈছে।

***বীজ শব্দ ঃ*** *অভিবাসী নাৰী, অসমীয়া উপন্যাস, পূৰ্ববংগীয় সমাজ, সামাজিক অৱস্থান।*

**১.১ অৱতৰণিকা ঃ**

অসমলৈ ঔপনিৱেশিক প্ৰেক্ষাপটত অভিবাসন সংঘটিত কৰা এক জনগোট হৈছে পূৰ্ববংগীয় মুছলমান কৃষকসকল। অধিক ৰাজহ লাভৰ স্বাৰ্থত ব্ৰিটিছে কঠোৰ পৰিশ্ৰমী ভূমিহীন এই কৃষকসকলক অসমৰ চৰ-চাপৰিত বসতি স্থাপনৰ বাবে অনুমতি প্ৰদান কৰিছিল। চৰ-চাপৰি এলেকাত বসবাস কৰাৰ ফলত অসমৰ স্থানীয় লোকৰ সৈতে পূৰ্ববংগীয় কৃষকসকলে সম্পৰ্ক স্থাপন কৰিবলৈ বৰ বিশেষ সুযোগ পোৱা নাছিল। ফলত এই অভিবাসী সমাজখনে পূৰ্ববংগৰ দৰেই সমাজ ব্যৱস্থা মানি চলিবলৈ ধৰে। একবিংশ শতিকাৰ বিকাশশীল সময়তো তেওঁলোকৰ এই সমাজখন যথেষ্ট পিছপৰি আছে। পুৰুষতান্ত্ৰিক মানসিকতাই গ্ৰাস কৰা অভিবাসী সমাজত বিশেষকৈ নাৰীসকল বহু সমস্যাৰে ভাৰাক্ৰান্ত। পূৰ্ববংগীয় সমাজত এগৰাকী নাৰীয়ে দৈনন্দিন কৰণীয়সমূহ নিয়াৰিকৈ সামৰি ল'লেও বিনিময়ত শাৰীৰিক-মানসিক আঘাতহে লাভ কৰিছিল। শৈক্ষিক ক্ষেত্ৰৰ পশ্চাৎপদতা, অনগ্ৰসৰতা, স্বাস্থ্য সম্পৰ্কীয় অজ্ঞতা, বাসস্থানৰ স্থায়িত্ব নথকা, যাত্ৰাপথৰ অসুবিধা ইত্যাদি সমস্যাৰে জৰ্জৰিত এই সমাজখনত নাৰীসকলৰ অৱস্থা অতি শোচনীয়। এই সমাজত নাৰীক কেৱল সন্তান জন্ম আৰু পৰিয়ালৰ যত্ন লোৱাৰ অধিকাৰহে প্ৰদান কৰা হয়। চিৰজীৱন পুৰুষৰ অধীনত থকা নাৰীসকলৰ উত্তৰণৰ সকলো পথ যেন পূৰ্ববংগীয় সমাজত বন্ধ হৈ পৰিছে। শাৰীৰিক আৰু মানসিক কষ্টত ভুগি থাকিলেও নাৰীসকল এইক্ষেত্ৰত সমূলি সজাগ নহয়। প্ৰত্যেক পৰিয়ালতে পুৰুষে মুখ্য ব্যক্তিৰ আসন লাভ কৰি নাৰীক তেওঁলোকৰ অধীনত ৰাখে। সামাজিক নিৰ্মিতিৰ আৱেষ্টনীত নাৰীয়ে বিনা প্ৰতিবাদে পুৰুষৰ আধিপত্য স্বীকাৰ কৰাত তেওঁলোকৰ ইচ্ছা সম্পৰ্কীয় প্ৰসংগটো লুপ্ত হ'বলৈ ধৰে। কৰ্ম অনুসৰি নাৰী আৰু পুৰুষ উভয়েই কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হয়। নাৰীসকলে ঘৰুৱা-বাহিৰা সকলো কাৰ্য্য সুকলমে কৰাৰ উপৰি পৰিয়ালৰ প্ৰত্যেকৰে যত্ন লয়। পুৰুষৰ তুলনাত কম পৰিমাণৰ জিৰণি লাভ কৰা নাৰীসকলে ভাগৰুৱা দেহাৰেই পুৰুষ(পতি)ৰ মন যোগাবলৈ বাধ্য হৈ পৰে। অসমত বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা নাৰীৰ স্বাধিকাৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যৰে অসমৰ নাৰীসকলে এক আন্দোলন গঢ়ি তুলিছিল। ১৯২৬ চনত অসমৰ প্ৰথমটো আঞ্চলিক নাৰী সংগঠন 'অসম মহিলা সমিতি' গঠন কৰা হৈছিল। স্বাধীন অসমৰ নতুন চৰকাৰে নাৰী আৰু শিশুৰ কল্যাণৰ বাবে বিভিন্ন আঁচনি লোৱাৰ প্ৰস্তাৱো গ্ৰহণ কৰিছিল। শতিকাজোৰা নাৰীৰ অধিকাৰ সম্পৰ্কীয় আন্দোলনৰ পিছতো অসমৰ বাসিন্দা পূৰ্ববংগীয় সমাজৰ নাৰীসকল মৌলিক সুবিধাৰ পৰাও বঞ্চিত হৈ আহিছে। পূৰ্ববংগীয় সমাজখনত পৰিয়াল প্ৰতিপালন, দৈনন্দিন ঘৰুৱা কৰ্ম, কৃষিক্ষেত্ৰত শ্ৰমদান ইত্যাদি কামতে নাৰীসকলক প্ৰায়ে ব্যস্ত হৈ থকা দেখা যায়। শ্ৰমৰ তুলনাত পুষ্টিকৰ খাদ্যৰ অভাৱত নাৰীসকল দুৰ্বল হোৱাত সন্তানেও পুষ্টিহীনতাত ভুগিবলৈ ধৰে। অভিবাসী সমাজখনত সকলোতকৈ প্ৰান্তত অৱস্থান গ্ৰহণ কৰা এই নাৰীসকলৰ শাৰীৰিক-মানসিক কষ্ট সম্পৰ্কে চৰ্চা হোৱাৰ পিছতো কাৰ্য্যক্ষেত্ৰত সেয়া সম্ভৱ হৈ উঠা নাই। এই অভিবাসী জনগোটটোৰ জীৱন সম্পৰ্কে অসমীয়া উপন্যাসতো কিছু পৰিমাণে অধ্যয়ন হোৱা পৰিলক্ষিত হৈছে। পূৰ্ববংগীয় সমাজৰ চিত্ৰণ থকা কেইখনমান অসমীয়া উপন্যাস হৈছে, ছৈয়দ আব্দুল মালিকৰ *'ৰূপাবৰিৰ পলস'*(১৯৮০), উমাকান্ত শৰ্মাৰ *'কাজলীৰ ৰোগ'*(২০০১), আব্দুচ ছামাদৰ *'বৈ যায় চম্পাৱতী'*(২০০৫), ৰুদ্ৰাণী শৰ্মাৰ *'কাঁহিবুনৰ মালিতা'*(২০১৭), অনামিকা বৰাৰ *'অস্তিত্ব'*(২০১৮), কলচুম বিবিৰ *'ছিন্নমূল'*(২০২৩) ইত্যাদি। পূৰ্ববংগীয় সমাজখনৰ চিত্ৰণেৰে ৰচিত উপন্যাসসমূহৰ ভিতৰত ৰুদ্ৰাণী শৰ্মাৰ *কাঁহিবুনৰ মালিতা* উপন্যাসখনে উক্ত সমাজখনৰ নাৰীসকলৰ জীৱনক গুৰুত্বসহকাৰে তুলি





ধৰাৰ প্ৰয়াস কৰিছে। অসমৰ তথাকথিত মূলসুঁতিৰ পৰা আঁতৰৰ এই নিম্নবৰ্গীয় সমাজখনত শোষিত নাৰীসকলৰ স্বাস্থ্যজনিত সমস্যা, সামাজিক পৰিচয়, স্বাধিকাৰ সম্পৰ্কীয় সচেতনতা ইত্যাদিৰ উপস্থাপনেৰে কিছু অনুদ্ঘাটিত দিশক পোহৰলৈ আনিবলৈ ঔপন্যাসিকে প্ৰয়াস কৰিছে। সাহিত্যই এখন সমাজৰ পৰিৱেশ-পৰিস্থিতিক অধিক হৃদয়স্পৰ্শী ৰূপত ফুটাই তুলিব পাৰে। বিশেষকৈ সাহিত্যৰ বিধা উপন্যাসে সমাজ একোখনক বহল পৰিসৰত অংকন কৰাৰ বাবে ইয়াৰ বিশ্লেষণৰ যথেষ্ট গুৰুত্ব আছে। সেয়ে পূৰ্ববংগীয় সমাজখনত নাৰীসকলৰ স্থিতি কেনেধৰণৰ, নাৰীসকলে প্ৰচলিত প্ৰথাৰ বিৰোধিতা কৰিছে নে, নাৰী হিচাপে সন্মুখীন হোৱা সমস্যাসমূহৰ প্ৰতিকাৰৰ ক্ষেত্ৰত ল'ব পৰা ব্যৱস্থা সম্পৰ্কে *কাঁহিবুনৰ মালিতা*(২০১৭)ত উল্লেখ কৰা হৈছে নেকি — এই দিশকেইটাক উপন্যাসখনৰ আধাৰত উন্মোচিত কৰাটোৱে হৈছে এই অধ্যয়নটিৰ মূল উদ্দেশ্য।

**১.২ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

ধ্ৰুৱজ্যোতি বৰাৰ দ্বাৰা সম্পাদিত ***গৰীয়সী*** (২০২১) আলোচনীত প্ৰকাশিত বিৰিঞ্চি কুমাৰ দাসৰ 'প্ৰান্তীয়কৰণৰ প্ৰসংগ আৰু ৰুদ্ৰাণী শৰ্মাৰ উপন্যাস' শীৰ্ষক প্ৰবন্ধটিত ৰুদ্ৰাণী শৰ্মাৰ ছয়খন উপন্যাসত প্ৰতিফলিত প্ৰান্তীয়কৰণ ধাৰণাটোৰ পৰিচয়মূলক ব্যাখ্যা আগবঢ়োৱা হৈছে। অসমৰ মূলসুঁতিৰ সমাজখনৰদ্বাৰা পূৰ্ববংগীয় সমাজক প্ৰান্তীয়কৰণ আৰু অন্যকৰণৰ প্ৰসংগক *কাঁহিবুনৰ মালিতা* উপন্যাসত কেনেদৰে প্ৰতিফলিত হৈছে, সেই দিশটোৰ এক চমু বিশ্লেষণ প্ৰবন্ধটিত দৃষ্টিগোচৰ হৈছে। পূৰ্ববংগীয় সমাজৰ নাৰীৰ জীৱন সম্পৰ্কে বিশেষভাৱে কোনো অধ্যয়ন প্ৰবন্ধটিত পৰিলক্ষিত হোৱা নাই।

হৃদয়ানন্দ গগৈৰ দ্বাৰা সম্পাদিত ***স্বৰ্ণলিপি*** (২০২২) আলোচনীত প্ৰকাশিত বনিশা শইকীয়াৰ 'ৰুদ্ৰাণী শৰ্মাৰ *কাঁহিবুনৰ মালিতা* উপন্যাসত প্ৰতিফলিত অভিবাসনজড়িত সমাজৰ স্থিতি' শীৰ্ষক গৱেষণামূলক প্ৰবন্ধটিত কাঁহিবুনৰ মালিতা উপন্যাসত প্ৰতিফলিত সমাজখনৰ স্থিতিক উন্মোচিত কৰিছে। ঔপনিৱেশিক সময়ৰ পূৰ্বৰ স্থানীয় সমাজ আৰু পূৰ্ববংগীয় সমাজখনৰ পাৰস্পৰিক সম্পৰ্ক আৰু পৰস্পৰৰ প্ৰতি পোষণ কৰা মনোভাব সম্পৰ্কে প্ৰবন্ধটিত বিশ্লেষণ কৰা হৈছে। উক্ত প্ৰবন্ধটিয়ে নাৰীৰ প্ৰসংগটোক বিশেষভাৱে অধ্যয়ন কৰা দৃষ্টিগোচৰ হোৱা নাই।

ৰুদ্ৰাণী শৰ্মাৰ *কাঁহিবুনৰ মালিতা* উপন্যাসখনৰ চৰ্চা বৰ্তমানলৈকে অধিক পৰিমাণে পৰিলক্ষিত হোৱা নাই। উক্ত সমাজখনৰ নাৰীসকলে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ভুগি অহা সমস্যা সম্পৰ্কে সচেতন সমাজৰ দৃষ্টি আকৰ্ষণ কৰাৰ ক্ষেত্ৰত উপন্যাসখনে এক ভূমিকা গ্ৰহণ কৰিছে বুলি ক'ব পাৰি। এই উপন্যাসখনে পূৰ্ববংগীয় সমাজৰ নাৰীসকলৰ জীৱন সম্পৰ্কে গুৰুত্বসহকাৰে উপস্থাপন কৰিছে, যদিও সেই দিশটোক কেন্দ্ৰ কৰি বিশেষ অধ্যয়ন পৰিলক্ষিত হোৱা নাই। সেয়ে উক্ত অধ্যয়নটিত পূৰ্ববংগীয় নাৰীৰ সৈতে জড়িত প্ৰসংগসমূহক উন্মোচিত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**১.৩ অধ্যয়নৰ উদ্দেশ্য ঃ**

'ৰুদ্ৰাণী শৰ্মাৰ *কাঁহিবুনৰ মালিতা* উপন্যাসত প্ৰতিফলিত অভিবাসী নাৰীৰ সামাজিক অৱস্থান' শীৰ্ষক প্ৰস্তুত অধ্যয়নটিৰ উদ্দেশ্যসমূহ হৈছে এনেধৰণৰ —

ক) *কাঁহিবুনৰ মালিতা* উপন্যাসৰ আধাৰত পূৰ্ববংগীয় অভিবাসী সমাজত নাৰীৰ সামাজিক স্থিতিক জানিবলৈ প্ৰয়াস কৰা।

খ) অভিবাসী সমাজখনৰ নাৰীৰ প্ৰতিৰোধী মানসিকতাক উপন্যাসখনে প্ৰকাশ কৰিছে নেকি, তাক অনুধাৱন কৰা।
গ) অভিবাসী নাৰীকেন্দ্ৰিক সমস্যাসমূহৰ সম্ভাব্য সমাধান উপন্যাসখনৰ জৰিয়তে উন্মোচিত কৰা।

**১.৪ অধ্যয়নৰ পদ্ধতি ঃ**

সাহিত্যই কোনো এক সময়ৰ সমসাময়িক চৰিত্ৰৰ বৰ্ণনা কৰাৰ লগতে স্বৰূপটোৰ আঁৰৰ উৎস সম্পৰ্কীয় ব্যাখ্যা-বিশ্লেষণতো গুৰুত্ব আৰোপ কৰে। সাহিত্য আৰু সমাজৰ সম্পৰ্কক অনুসন্ধান কৰিবলৈ সৃষ্টি হোৱা এক বিদ্যায়তনিক অনুশাসন সাহিত্যৰ সমাজতত্ত্বৰ অন্তৰ্গত সমাজ বিশ্লেষণ পদ্ধতি (socio-analysis method) হৈছে সামূহিক সম্পৰ্ক, সমাজতন্ত্ৰৰ চিন্তা-ধাৰা, সাংগঠনিক আচৰণ আৰু সামাজিক প্ৰত্যাশাৰ সংশ্লেষিতআৰু সংমিশ্ৰিত একপ্ৰকাৰৰ কাৰ্যকৰী গৱেষণা।[১] সামাজিক সমস্যাক চিনাক্তকৰণ আৰু সামাজিক সমস্যা সমাধানৰ বাবে এই পদ্ধতি ব্যৱহাৰ কৰা হয়। *কাঁহিবুনৰ মালিতা* উপন্যাসৰ জৰিয়তে পূৰ্ববংগীয় সমাজত নাৰীৰ সামাজিক স্থিতিক অনুধাৱন কৰা আৰু নাৰীসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ সমাধানৰ সন্ধান কৰিবলৈ এই পদ্ধতিৰ সহায় লোৱা হৈছে।

গৱেষণা কৰ্ম সম্পাদন কৰিবলৈ প্ৰথমে তথ্য সংগ্ৰহ আৰু তাৰপাছত প্ৰাপ্ত তথ্যসমূহৰ বিশ্লেষণ কৰা হয়। এই গৱেষণা কৰ্মটিৰ বাবে দুইধৰণৰ উৎসৰ পৰা গুণগত পদ্ধতিৰে নমুনা সংগ্ৰহ কৰা হৈছে। উক্ত উৎস দুটা হৈছে এনেধৰণৰ -

১) মুখ্য উৎস ঃ ৰুদ্ৰাণী শৰ্মাৰ *কাঁহিবুনৰ মালিতা*।
২) গৌণ উৎস ঃ বিষয়ৰ সৈতে সম্পৰ্কিত প্ৰাসংগিক গ্ৰন্থ, আলোচনী, গৱেষণামূলক অধ্যয়ন, সাক্ষাৎকাৰ, বক্তৃতানুষ্ঠান ইত্যাদি।

এই গৱেষণা পত্ৰখনিত *কাঁহিবুনৰ মালিতা* উপন্যাস আৰু অন্যান্য প্ৰাসংগিক উৎসৰপৰা নাৰীৰ অৱস্থান সম্পৰ্কীয় দিশসমূহৰ সন্ধান কৰি গুণগত পদ্ধতিৰ অন্তৰ্গত বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায়ত অধ্যয়ন আগবঢ়োৱা হৈছে।

**২.০ *কাঁহিবুনৰ মালিতা* উপন্যাসত প্ৰতিফলিত অভিবাসী নাৰীৰ সামাজিক স্থিতি ঃ**

অসমৰ চৰ-চাপৰি এলেকাত বসতি স্থাপন কৰি থকা পূৰ্ববংগীয় সমাজখনৰ নাৰীসকলক লোকচক্ষুৰ আঁৰত ৰাখিবলৈ যত্ন কৰা হয়। পৰিয়াল আৰু নিজ সমাজখনৰ বাহিৰে অন্যলোকৰ সৈতে সামাজিক সম্পৰ্ক গঢ়িবলৈ তেওঁলোকক সুযোগ দিয়া নহয়। নাৰীক দমন কৰি ৰখাৰ এই প্ৰক্ৰিয়াটো প্ৰজন্মৰপৰা প্ৰজন্মলৈকে প্ৰবাহিত হৈ আহিছে। পুৰুষৰ ইচ্ছা-অনিচ্ছাকে জীৱনৰ মূল উদ্দেশ্য হিচাপে গ্ৰহণ কৰা নাৰীসকল ব্যক্তিগত অধিকাৰ সম্পৰ্কে সজাগ নহয়। ধৰ্মান্ধ সমাজখনে বহুক্ষেত্ৰত নাৰীসকলক অন্ধকাৰতে ৰাখি থ'বলৈ যত্ন কৰে। অসমত প্ৰান্তীয় গোটলৈ পৰিণত হোৱা এই লোকসকলে পূৰ্ববংগৰ মৈমনসিঙৰ পৰা অসমলৈ অভিবাসিত হোৱা প্ৰসংগ *কাঁহিবুনৰ মালিতা* উপন্যাসত উল্লেখ কৰা হৈছে। বংগদেশত জমিদাৰ শ্ৰেণীৰ অত্যাচাৰ, প্ৰচুৰ জনসংখ্যা, দুৰ্ভিক্ষ ইত্যাদি কাৰকৰ ফলত ব্ৰিটিছ চৰকাৰৰ উদ্যোগত বহু মৈমনসিঙীয়া লোক অসমলৈ অভিবাসিত হৈছিল। ব্ৰিটিছ চৰকাৰে 'পূৰ্ববংগ আৰু অসম'ক এখন প্ৰদেশ হিচাপে শাসন কৰিবলৈ লোৱাত এই অভিবাসন প্ৰক্ৰিয়া অতি সহজ হৈ পৰে। বংগৰ প্ৰতিকূল পৰিৱেশৰ পৰা নিস্তাৰ পাবলৈ বছিৰেও পৰিয়ালসহ অসমলৈ অভিবাসিত হৈছিল। অসমত কৃষিকাৰ্যৰ





বাবে প্ৰচুৰ ভূমি উপলব্ধ হ'লেও চৰ-চাপৰিসমূহত বছৰি হোৱা বানপানীৰ সৈতে পূৰ্ববংগীয়সকলে ওৰে জীৱন যুঁজি আছে। বানপানীৰ ফলত সঘনাই স্থান সলনি কৰি থকা এই দাৰিদ্ৰ পীড়িত সমাজখনত নাৰীসকলে গৰ্ভাৱস্থাতো পৰ্যাপ্ত পৰিমাণে সুষম খাদ্য লাভ নকৰাৰ ফলত সন্তানে পুষ্টিহীনতাত ভুগিবলৈ ধৰে। নাৰীসকলে পুষ্টিহীনতাতে জন্ম লাভ কৰি পুনৰ তেনেদৰেই জীৱন নিৰ্বাহ কৰি দুৰ্বল সন্তান জন্ম দিবলগীয়া হয়। উপন্যাসখনত বছিৰ আৰু পাহিবিবিৰ কন্যা আমিনাৰ প্ৰসংগৰে অভিবাসী নাৰীৰ শাৰীৰিক অৱস্থাক এনেদৰে ব্যক্ত কৰা হৈছে,

> *দুৰ্ভিক্ষৰ পুষ্টিহীনতা আৰু অনাহাৰৰ মাজতে তাইৰ জন্ম।...সিহঁতৰ পৰিয়ালবোৰতনো কাৰ ছোৱালী এনে আছে যাৰ যৌৱন টলমল টলমল। ভৰ বয়সত দুই-এজনীৰ গাত মঙহ ধৰে, বিয়া হৈ গৈ দুটামান ল'ৰা-ছোৱালী হোৱাৰ পিছত আকৌ সেই মৰকুঁচীয়া লগা অৱস্থা।*[২]

উন্নত জীৱনৰ সন্ধানত অসমলৈ অভিবাসিত পূৰ্ববংগীয় সমাজৰ নাৰীসকলৰ অৱস্থাৰ সাম্প্ৰতিক সময়তো কোনো পৰিৱৰ্তন নঘটিল। বাল্য বিবাহ, পৰ্দা প্ৰথা, নাৰী নিৰ্যাতন, লিঙ্গ বৈষম্য, তালাক আৰু বহুবিবাহ প্ৰথাই অভিবাসী জনগোটটোৰ নাৰীসকলৰ জীৱনত যথেষ্ট সমস্যাৰ সৃষ্টি কৰি আহিছে। এই জনগোটটোৰ পুৰুষ আৰু নাৰী উভয়ে শিক্ষাৰ অভাৱ আৰু ধৰ্মীয় গোড়ামিৰ ফলস্বৰূপে পূৰ্বাপৰ প্ৰচলিত প্ৰথাকে মানি চলিছে। এখন সমাজত নাৰীৰ শিক্ষাগত অৰ্হতাই বহুক্ষেত্ৰত নাৰীক স্বাধিকাৰ সম্পৰ্কে সচেতন কৰি তোলে। দৰিদ্ৰতা, নিৰক্ষৰতা, দুৰ্বল আন্তঃগাঁথনি, ধৰ্মীয় ভণ্ডামি ইত্যাদিৰ বাবেই এই সমাজখনৰ উন্নয়ন সাধন হোৱা নাই। চৰ-চাপৰি সমাজখনৰ নাৰীসকল মানৱ জীৱনৰ সকলো অধিকাৰৰ পৰা বঞ্চিত হোৱা দেখা গৈছে। দৰিদ্ৰ পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক বিশেষকৈ ছোৱালীক স্কুললৈ পঠিয়াব নোখোজে। ছোৱালীক ঘৰতে ৰাখি ঘৰুৱা কামত মাকক সহায় কৰা কাৰ্য্যত লগায় আৰু অতি কম বয়সত ছোৱালীক বিয়া দিয়াৰ ব্যৱস্থা কৰে। ৰাজ্যখনত সংখ্যাগুৰু সম্প্ৰদায়ৰ এগৰাকী শিক্ষিত ছোৱালী বিয়া-বাৰু হৈ প্ৰথমটো সন্তানৰ মাতৃ হয় মানে চৰ-চাপৰিৰ মুছলমান ছোৱালী এজনী আইতা হ'বৰ হয়। ১৪/১৫ বছৰ বয়সত নাবালিকা ছোৱালী এজনীৰ বিয়াৰ পিছত ১৫/১৬ বছৰ বয়সত প্ৰথম সন্তানৰ জন্ম হয়। সন্তানটি যদি ছোৱালী হয় তাইৰ বয়স ১৪/১৫ বছৰ হ'লে তাইক বিয়া দিয়া হয়। পাছৰ বছৰত তাইও মাক হয়। অৰ্থাৎ ১৬ বছৰ আগেয়ে বিয়া হোৱা ১৪/১৫ বছৰীয়া ছোৱালীজনী ৩২ বছৰ বয়স নৌহওঁতেই আইতাক হয়।[৩] নামনি অসমৰ চৰ অঞ্চলসমূহত চৰ অঞ্চল উন্নয়ন সঞ্চালকালয়ে ২০০২-০৩ চনত কৰা এক জৰীপ অনুসৰি পূৰ্ববংগীয় কৃষকসকলৰ ৮১ শতাংশ পুৰুষ আৰু ৯২ শতাংশ নাৰীৰ নিৰক্ষৰতাৰ তথ্য লাভ কৰিছিল।[৪] গতিকে দেখা যায় যে শিক্ষিত পুৰুষ আৰু নাৰীৰ হাৰ কম হোৱাৰ ফলত তেওঁলোক বহুক্ষেত্ৰত পশ্চাদগামী হৈ আছে। সজাগতাৰ অভাৱত কম বয়সতে বিবাহিত এগৰাকী নাৰীয়ে বিবাহৰ পৰৱৰ্তী সময়ত স্বাস্থ্যজনিত নানা সমস্যাৰ সন্মুখীন হৈ আহিছে। নাবালিকা অৱস্থাতে অধিকাংশ মহিলা বিবাহিত হৈ পৰাৰ ফলত সন্তান জন্ম দিয়াৰ ক্ষমতাও অধিক সময়লৈকে থাকে। ফলস্বৰূপে বছৰি বছৰি সন্তান জন্ম দি জনসংখ্যা বৃদ্ধি হোৱাৰ লগতে নাৰীৰ শৰীৰ নিশকতীয়া হ'বলৈ ধৰে। অত্যধিক পৰিশ্ৰম আৰু অপৈণত বয়সতে গৰ্ভধাৰণ কৰি নাৰীসকলে ৰক্তহীনতাত ভোগে আৰু জৰায়ু দুৰ্বল হৈ পৰে। উপযুক্ত চিকিৎসা, পৰিচৰ্যা, পুষ্টিকৰ খাদ্য, দৈনন্দিন কামৰ পৰা অব্যাহতি ইত্যাদি কমসংখ্যক নাৰীৰ ক্ষেত্ৰতহে সম্ভৱ হৈ উঠে। পৰিয়ালৰ পুৰুষ শ্ৰেণীয়ে নাৰীৰ শৰীৰক ভোগ্য সামগ্ৰীৰূপে গ্ৰহণ কৰাৰ ফলস্বৰূপে সঘনাই গৰ্ভধাৰণ কৰি নাৰীৰ স্বাস্থ্যৰ অৱনতি ঘটে। উপন্যাসখনৰ কেতবোৰ নাৰী চৰিত্ৰ পাহিবিবি, ৰহিমা, আমিনা, ৰাবিয়া, আচিনাই গৰ্ভধাৰণ কৰাৰ

অন্তৰালত ‘আল্লাৰ দান’ ব্যাখ্যানটোৰ প্ৰচলনে অধিক সন্তান জন্মৰ ক্ষেত্ৰত অনুঘটকৰ ভূমিকা পালন কৰিছে। গৰ্ভ নিৰোধৰ ধাৰণা সম্পৰ্কে অৱগত নোহোৱাৰ ফলত প্ৰতিবছৰে গৰ্ভ ধাৰণ কৰি নাৰীসকলৰ শৰীৰত বিভিন্ন বিসংগতিয়ে দেখা দিবলৈ ধৰে। ধৰ্মভীৰু সমাজখনত নাৰীসকলক মৌলবী শ্ৰেণীৰ লোকে প্ৰদান কৰা শিক্ষাৰ ফলত তেওঁলোকৰ মানসিকতা সম্পূৰ্ণৰূপে পুৰুষৰ অধীন হৈ থাকে। স্বামী গৃহলৈ আহি অলেখ কামৰ মাজত তেওঁলোকে অকথ্য গালি-গালাজ আৰু মাৰ-কিলো সহ্য কৰিবলগীয়া হয়। পূৰ্ববংগীয় সমাজখনৰ অধিকসংখ্যক লোকেই অত্যন্ত দৰিদ্ৰ হোৱাৰ ফলত ঘৰত প্ৰচুৰ খাদ্য মজুত নাথাকে। সেয়ে পৰিয়ালৰ হৰ্তা-কৰ্তা হিচাপে পুৰুষসকলক পৰ্যাপ্ত খাদ্য প্ৰদান কৰি নাৰীসকলে নামমাত্ৰ খাদ্যহে গ্ৰহণ কৰিবলগীয়া হয়। কৃষিৰ জৰিয়তে পৰিয়াল পোহপাল দিয়া এই লোকসকলৰ পৰিয়ালত অধিক সদস্য হোৱাৰ ফলত আয়তকৈ ব্যয় বৃদ্ধি হৈ গৈ থাকে। নাৰীয়ে দৰিদ্ৰতাৰ ফলত নিজ শৰীৰটোক অৱজ্ঞা কৰা দিশটো উপন্যাসখনত এনেদৰে চিত্ৰিত কৰা হৈছে,

*সকলোকে দি উঠাৰ শেষত কেতিয়াবা মাছৰ লগত দিয়া জলকীয়া এটাহে আমিনাৰ ভাগত পৰে।...মাক আৰু দাদীয়েকেও দকচি খায় বুলিব নোৱাৰি। কেৰাহিৰ তলত থকা দুই-চাৰিটাহে তেওঁলোকৰ ভাগত পৰে।*[৫]

পূৰ্ববংগীয় মুছলমান সমাজত বহু বিবাহ প্ৰথা আৰু অধিক সন্তান জন্মৰ ধাৰণাটো প্ৰচলিত হৈ আহিছে। এনে পৰম্পৰাগত ধাৰণাৰ কু-প্ৰভাৱ হৈছে অভিবাসীসকলৰদ্বাৰা ক্ৰমান্বয়ে অসমৰ জনসংখ্যা বৃদ্ধি। অভিবাসী সমাজখনত কন্যা সন্তানতকৈ পুত্ৰ সন্তানৰহে গুৰুত্ব বেছি। এই সমাজখনৰ মতে নাৰীৰ জন্ম কেৱল পুৰুষৰ শাৰীৰিক প্ৰয়োজন পূৰ কৰা আৰু বংশ বৃদ্ধিত অৰিহণা যোগাবলৈহে হৈছে। *কাঁহিবুনৰ মালিতা* উপন্যাসত বছিৰে পুত্ৰ সন্তানৰ কামনা কৰিছে। বছিৰৰ সন্তান আমিনাক ছোৱালী হিচাপে আইতাকে প্ৰতিটো ক্ষেত্ৰতে কটু বাক্যৰে সকলো সমস্যাৰ মূল বুলি তাইকে জগৰীয়া কৰে। ৰমিজ আৰু ফিৰোজাৰ ঘৰত বনকৰা নাৰী আচিনাৰ পুত্ৰ সন্তান নোহোৱাত তেওঁৰ পতিয়ে অন্য এগৰাকী নাৰীৰ সৈতে বিবাহপাশত আবদ্ধ হৈছে; কিন্তু সতিনীয়েক থকাৰ পিছতো আচিনাৰ ছোৱালী এজনী জন্ম হৈছে আৰু পুনৰ গৰ্ভধাৰণ কৰি তাই গৌৰৱ অনুভৱ কৰিছে। উপন্যাসখনত গৰ্ভধাৰণৰ সময়ত পুষ্টিহীনতাত ভোগা নাৰীৰ শাৰীৰিক অৱস্থাৰ দুখলগা চিত্ৰ এখন আচিনাৰ প্ৰসংগৰে অৱতাৰণা কৰা হৈছে, *বছৰ নৌ ঘূৰোতেই ফিৰোজাই নিজেই দেখিলে হাড়ে-ছালে লগা শৰীৰটোত পানীলাউৰ দৰে বাঢ়ি আহিছে পেটটো।*[৬] নাৰীসকলৰ বসবাসৰ কোনো স্থায়ী ঠিকনা নাথাকে। অভিবাসী সমাজখনত নাৰীসকলৰ বাবে বিবাহৰ পূৰ্বে পিতৃ আৰু বিবাহৰ পাছত পতিয়ে সৰ্বেসৰ্বা হৈ পৰে। গতিকে নাৰীয়ে পুৰুষক বাধা দিয়া আৰু পুৰুষৰ মাৰ-কিলৰ প্ৰতিৰোধ কাৰ্য্য কাহানিও সংঘটিত নহয়। উপন্যাসখনত আমিনাৰ পুত্ৰ ছমছেৰে দ্বিতীয়বাৰ বিবাহপাশত আবদ্ধ হ'বলৈ বিচৰাত পত্নী ৰাবিয়াই কিছু সকাহ লাভ কৰা পৰিলক্ষিত হৈছে। প্ৰতিবছৰে গৰ্ভধাৰণ কৰি ৰাবিয়াৰ শৰীৰত নানা সমস্যাই দেখা দিয়াত ছমছেৰৰ সৈতে শাৰীৰিক সম্পৰ্ক গঢ়িবলৈ আমিনাই হাক দিছিল। ছমছেৰৰ ইচ্ছাক বাধা দিবলৈ আমিনাই উপদেশ দিয়াত ৰাবিয়াইহে ওলোটাই এনেদৰে উত্তৰ দিয়ে , *মাইকী মানুহ হৈ জন্ম লৈছোঁ যেতিয়া মৰদ মানুষক না কৰিম কেনেকৈ? ল'ৰা-ছোৱালী আল্লাই দিছে, আল্লাই চাব সকলোকে।*[৭] অধিক সন্তান জন্ম দিয়াৰ সমান্তৰালকৈ পুষ্টিকৰ খাদ্য উপলব্ধ নোহোৱাৰ ফলত নাৰীসকলে বয়সসূত্ৰে হোৱা বেমাৰৰ উপৰি জৰায়ুৰ সমস্যাত ভুগিবলৈ ধৰে। উপন্যাসখনত ৰহিমাৰ মাক, আমিনাৰ আইতাক আৰু আমিনাৰ দৰে বহু নাৰীৰ কষ্টকৰ মৃত্যু সম্পৰ্কে উল্লেখ কৰা





হৈছে। অভিবাসী নাৰীসকলে ভোগা সমস্যাটোৰ এখনি বাস্তৱ চিত্ৰ উপন্যাসখনত পৰিলক্ষিত হৈছে,

*বুঢ়াকালত মাইকী মানুহৰ এইবোৰ জানো কি বেমাৰ হয়? দাদীয়েকৰ হওঁতে তাই ভয় খাইছিল - এই বয়সতো মাসিক বেমাৰ? দাদীয়েকৰ ঘাঁ লাগি গৈছিল। তেজ-পূঁজ ওলাই আছিল। ঠিয় হ'লে, বহিলে মাংসপিণ্ডটো ওলাই আহে। বুঢ়ীয়ে ভয় পাই কাতি কৰি শুই আছিল।*[৮]

*...বস্তু দণ্ডা কাম কৰিবলৈ আমিনাই বাদেই দিছে। ভৰ দাঙিবলৈ ল'লেই তললৈ নামি আহে।*[৯]

নাৰীৰ শৰীৰত এই সমস্যা সৃষ্টি হোৱাৰ কাৰণসমূহ হৈছে এনেধৰণৰ — জন্মসূত্ৰে লাভ কৰা পুষ্টিহীনতা, পৰ্যাপ্ত পৰিমাণৰ খাদ্যৰ অভাৱ, কম বয়সত বিবাহপাশত আবদ্ধ হোৱা, গৰ্ভাৱস্থাত প্ৰয়োজনীয় খাদ্য আৰু বিশ্ৰাম লাভ নকৰা, প্ৰতিবছৰে গৰ্ভধাৰণ কৰা ইত্যাদি। কিন্তু নাৰীসকলে এই কাৰণসমূহৰ বিষয়ে সজাগ নোহোৱাৰ বাবে ইয়াক ‘গুণাহৰ ফল’ বুলি সহ্য কৰি থাকে। সেয়ে উপন্যাসখনত ৰহিমাৰ মাকে জৰায়ু ৰোগত আক্ৰান্ত হৈ মৃত্যুৰ সময়ত বিৰবিৰাই কৈছিল, *কি গুণাহৰ ফল? কি গুণাহৰ ফল?*[১০] তথাপি লোকলজ্জাৰ ভয়ত নাৰীসকলে এই সমস্যাক গোপনে ৰাখি থয়।

সমাজ পৰিৱৰ্তনৰ ফলত পূৰ্ববংগীয় সমাজৰ কিছু নাৰীয়ে শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিছে। উপন্যাসখনত ৰমিজৰ পত্নী ফিৰোজা এগৰাকী শিক্ষিতা নাৰী। ৰমিজেও তেওঁক উচ্চ শিক্ষা গ্ৰহণৰ বাবে উদ্‌গনি যোগাইছে। তেওঁলোকৰ একমাত্ৰ কন্যা সন্তান মেহেকক শিক্ষিত কৰি তুলিবলৈ যৎপৰোনাস্তি প্ৰয়াস কৰিছে। তথাপি এগৰাকী নাৰী হিচাপে ফিৰোজাই পুৰুষৰ আলপৈচান ধৰাটোহে জৰুৰী বুলি পূৰ্ববংগীয় সমাজখনে মনোভাৱ পোষণ কৰিছে। সেয়ে মেহেকৰ পিছত সন্তান সম্পৰ্কে ফিৰোজাই কিয় ভবা নাই, পুত্ৰ সন্তান নথকা নাৰীক পতিয়ে ত্যাগ কৰে ইত্যাদি কথাৰে তেওঁক চিন্তিত কৰি তুলিছে।

**৩.০ উপন্যাসখনত নাৰীৰ প্ৰতিৰোধী মানসিকতাৰ প্ৰতিফলন ঃ**

এখন সমাজত পৰম্পৰাগতভাৱে চলি অহা কিছুমান প্ৰথাক পুৰুষতান্ত্ৰিক সমাজখনে নাৰীক দমনৰ বাবে ব্যৱহাৰ কৰে। সেয়ে তেওঁলোকক সৰুৰেপৰা পুৰুষৰ আধিপত্য গ্ৰহণৰ মানসিকতাৰে গঢ়ি তোলা হয়। পৰিয়াল আৰু সমাজৰ অজুহাতেৰে তেওঁলোকৰ বিকাশত বাধা দিবলৈ প্ৰয়াস কৰে। নাৰী আৰু পুৰুষ সম্পৰ্কে সমাজে নিৰ্মাণ কৰা ব্যাখ্যানসমূহৰ আধাৰতে সমাজখনত তেওঁলোকৰ অৱস্থান নিৰ্ণয় কৰা হয়। পূৰ্ববংগীয় সমাজখনত অধিকসংখ্যক নাৰীয়ে তেওঁলোকৰ অৱস্থিতি সম্পৰ্কে সচেতন নোহোৱাৰ বাবে নিৰ্বিকাৰে প্ৰচলিত সকলো পৰম্পৰা মানি চলে। শৈশৱৰ পৰাই নাৰীসকলক আবুৰত ৰখাৰ এক প্ৰক্ৰিয়া আৰম্ভ হৈ যায়। কৈশোৰ অৱস্থা প্ৰাপ্তিৰ লগে লগে নাৰীসকলক সমাজখনে বিবাহৰ বাবে প্ৰস্তুত কৰি তোলে। *কাঁহিবুনৰ মালিতা* উপন্যাসৰ এক চৰিত্ৰ আমিনাৰ সৈতে পূৰ্ববংগীয় সমাজৰে সদস্য ৰমজানৰ সম্ভাৱ হৈছিল। মাক পাহিবিবি আৰু আইতাকে আমিনাৰ ইচ্ছাত গুৰুত্ব দি বছিৰক জনোৱাৰ পাছতো তেওঁলোকক উপেক্ষা কৰি ৰহিম আলিৰ সৈতে বছিৰে তাইৰ বিবাহ নিশ্চিত কৰিছিল। নাৰীয়ে জন্মৰ পিছত পিতৃৰ, বিবাহৰ পিছত পতিৰ আৰু বৃদ্ধাৱস্থাত পুত্ৰৰ অধীনত থকাৰ এক ব্যাখ্যা সমাজখনত প্ৰচলিত হৈ আহিছে। আমিনায়ো পিতৃৰ ইচ্ছা অনুসৰি কম বয়সতে সংসাৰৰ দায়িত্ব গ্ৰহণ কৰিবলগীয়া হৈছিল। শাৰীৰিক-মানসিক কষ্টক গোপনে ৰাখি পুৰুষৰ আদেশ মানি চলিবলৈ শিকোৱা নাৰীসকলৰ প্ৰতিৰোধ তথা প্ৰতিবাদ

সম্পৰ্কে কোনো ধাৰণা নাথাকে। সেয়ে পুৰুষতান্ত্ৰিক সমাজে কৰা শোষণ সম্পৰ্কে তেওঁলোকে কোনো প্ৰতিক্ৰিয়া প্ৰদৰ্শন নকৰে। পুৰুষৰ দমনক বিনা প্ৰতিবাদে সহ্য কৰি থকাটোৱে যেন নাৰীৰ ধৰ্ম। উপন্যাসখনত প্ৰচলিত নাৰীতকৈ এক বিপৰীতমুখী চৰিত্ৰ হিচাপে আমিনাক উপস্থাপন কৰা হৈছে। উপন্যাসৰ অন্য কিছুমান নাৰী চৰিত্ৰই পতিয়ে দ্বিতীয় বিবাহ কৰোৱাৰ ক্ষেত্ৰত কোনোধৰণৰ আপত্তি কৰা নাই। এইক্ষেত্ৰত আমিনাই পতিৰ তেনে কাৰ্য্যৰ বিৰোধিতা কৰি দ্বিতীয় এগৰাকীক বিয়া কৰোৱাৰ প্ৰসংগত প্ৰশ্ন কৰিছে যে, *এগুইনা কি শুনতাচি? আপনে বোলে আবাৰ বিয়া কৰবেন?*[১১] আমিনাৰ এনে প্ৰশ্নত ৰহিমে বিয়া কৰোৱাৰ কথাটো সত্য আৰু আমিনাক প্ৰশ্ন কৰাৰ অধিকাৰ কোনে দিলে বুলি ধমকি দিয়ে। পৰৱৰ্তী সময়ত ৰহিমৰ মৃত্যুৱে আমিনাক অধিক সাহসী কৰি তুলিছে। ৰহিমক মনৰ পৰা বিসৰ্জন দিয়া আমিনাই পুনৰ পুতেকৰ দ্বিতীয় বিবাহৰ প্ৰসংগ অহাত ক্ৰোধিত হৈ পৰিছে। তেখেতে বোৱাৰীয়েক ৰাবিয়াক এইক্ষেত্ৰত প্ৰতিবাদ কৰিবলৈ প্ৰেৰিত কৰিছে যদিও চিৰাচৰিত নিয়মত বান্ধ খাই থকা ৰাবিয়াই চমছেৰৰ এনে কাৰ্যত কোনোধৰণৰ বাধা প্ৰদান কৰা নাই । এই নাৰীসকলৰ জীৱনত গিৰীহঁতৰ বাদে অন্য কোনো বিকল্প নাথাকে। ব্যক্তিগত কোনো সংস্থাপন নথকা ৰাবিয়াৰ পিতৃকুল অত্যন্ত দৰিদ্ৰ। সেইবাবে পতি ছমছেৰৰ ইচ্ছাৰ বিৰুদ্ধে যোৱাটো তাইৰ ক্ষেত্ৰত কোনোপধ্যে সম্ভৱ নহয়; কিন্তু নাৰী হিচাপে সমাজৰপৰা লাভ কৰা শাৰীৰিক-মানসিক নিৰ্যাতনৰ বিৰুদ্ধে আমিনা সৰৱ হৈ পৰিছে। পুতেকে আমিনাক শাৰীৰিকভাৱে প্ৰহাৰৰ বাবে উদ্যত হোৱাত তেখেতে প্ৰতিৰোধ কৰিছে। আমিনাই পুত্ৰৰ সৈতে সম্পৰ্ক ছেদ কৰি পিতৃগৃহত আশ্ৰয় লোৱা কাৰ্যত সাধাৰণ নাৰীসকল আচৰিত হৈছে। তেওঁলোকৰ সমাজত পুৰুষৰ সকলো কাৰ্যক নিৰ্বিকাৰে মানি অহাৰ পৰম্পৰা ভংগ হোৱাত আমিনাৰ ভাইবোৱাৰী ৰহিমাৰ মনোভাৱ এনেদৰে প্ৰকাশ পাইছে,

> *সৰুকালত বাপেকৰ, বিয়াৰ পিছত গিৰীয়েকৰ আৰু বুঢ়াকালত পুতেকৰ গালি-শপনি, মাৰধৰ খোৱাতো জানো কিবা নোহোৱা নোপোজা ঘটনা? ঘৰবোৰততো এনে খুঁট-খাট লাগিয়েই থাকে। তাইৰ জানো ক'ত ইমানকৈ আঘাত লাগিছে?*[১২]

সকলো নাৰীয়ে নিজৰ অস্তিত্ব আৰু আত্মসন্মানৰ প্ৰতি সচেতন নহয়। শিক্ষিত সমাজতে এনে পদক্ষেপ খুব কমেইহে গ্ৰহণ কৰিব পাৰে। তেনেক্ষেত্ৰত এখন অতিকৈ অনগ্ৰসৰ ঠাইৰ এগৰাকী নাৰীয়ে এনে কাৰ্য্য সংঘটিত কৰাটো এক সাহসী পদক্ষেপ বুলি ক'ব পাৰি।

চৰ-চাপৰি অঞ্চলত বসবাস কৰা সমাজত শক্তিশালী নাৰীৰ অৱস্থিতি তেনেই নগণ্য। অধিকসংখ্যক নাৰীয়ে মৃত্যুপৰ্যন্ত শংকাপূৰ্ণ জীৱনেই কটাবলগীয়া হয়। শিক্ষা, চিকিৎসা, অৰ্থনীতি, ৰাজনীতি ইত্যাদি বিষয়ৰ সৈতে অৱগত নোহোৱা এখন সমাজৰ নাৰী আমিনাই ভতিজাক ৰমিজৰ শৈক্ষিক অগ্ৰগতিৰ খতিয়ান বিচাৰি অহাত শিক্ষকগৰাকী আচৰিত হৈছিল। আমিনাই জীৱনত লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত নিজকে অধিক শক্তিশালী ৰূপত গঢ়ি তুলিছিল। নাৰীৰ বাবে সমাজে একোটা আৱেষ্টনীৰ নিৰ্মাণ কৰি দিয়ে। অধিকসংখ্যক নাৰীয়ে সেই প্ৰাচীৰ ভঙাৰ সাহস কৰিব নোৱাৰে। বিশেষকৈ অভিবাসী মুছলমান সমাজৰ নাৰীসকলে স্বাধিকাৰ সম্পৰ্কে সচেতন হৈ আত্মবিশ্বাসেৰে আগবাঢ়ি আহিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন। তেনে সংকীৰ্ণ পৰিৱেশতো সেই সমাজখনৰে নিৰক্ষৰ নাৰী আমিনাই সাহসেৰে নিজৰ স্থিতি সম্পৰ্কে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সকলোকে সকীয়াই দিছে। উপন্যাসখনত নাৰীৰ মনোভাৱ প্ৰকাশ হৈছে এনেদৰে,





> *মাইকী মানুহ যেনে হ'ব লাগে বুলি সমাজে আৰোপ কৰি দিয়ে মাইকী মানুহ তেনেভাৱেই গঢ় ল'ব বুলি কিবা ধৰাবন্ধা কথা আছেনে? সাঁচত নুঠাসকল এতিয়া মৰি যাব নে সংগোপনে ভিতৰখন লুকুৱাই ৰাখি জীয়াই থাকিব? বেছিভাগ সময়ত সেয়াই হয়। নিজকে লুকুৱাই ৰাখি সকলোকে সন্তুষ্ট কৰি জীয়াই থাকে। কেতিয়াবা ধিক্কাৰ লাগিলে সাঁচত নথকা কথাবোৰ প্ৰকাশ হৈ যায়।*[১৩]

পৰিয়ালত এগৰাকী প্ৰগতিশীল ব্যক্তিৰ অৱস্থিতিয়ে অন্য এগৰাকী সদস্যক নিশ্চিতভাৱে প্ৰভাৱিত কৰিব পাৰে। উপন্যাসখনত ৰহিমাক মাকে বিবাহৰ সময়ত শিকনি দিছিল যে নিজৰ পতিক সুখী কৰি নাৰাখিলে পুনৰ এগৰাকী আনিবলৈ তেওঁলোকে কুণ্ঠাবোধ নকৰে। সেয়ে ৰহিমাই গৰ্ভাৱস্থাতো অসুখীয়া দেহাৰে মাধুৰ আলপৈচানত কোনো ত্ৰুটি কৰা নাছিল। ঘৰখনত সংঘটিত সকলো ঘটনাতে ৰহিমাই নীৰৱে অংশগ্ৰহণ কৰি আহিছিল। আমিনাই আত্মসন্মানৰ খাতিৰত ভাতৃ মাধুৰ ঘৰলৈ চিৰদিনৰ বাবে আঁতৰি অহা কাৰ্য্যই ৰহিমাকো স্পৰ্শ কৰে। মাধুৰ মৃত্যুৰ পিছত মাটিৰ ভাগ বিচৰা ফাইজক ৰহিমাই দৃঢ়তাৰে সম্পত্তি ভাগ নকৰাৰ সিদ্ধান্ত জনাই দিয়ে। ৰহিমাৰ এনে পদক্ষেপত আমিনাৰ প্ৰভাৱে ক্ৰিয়া কৰা দিশটো সৰু পুত্ৰ ৰমিজৰ মনোভাৱত প্ৰস্ফুটিত হৈছে, *মাকৰ চাগে পেহীয়েকক দেখিয়েই সাহ বাঢ়িছে। এনেয়ে পুতেকক মুখ তুলি কথা কোৱা মানুহতো তেওঁ নহয়।*[১৪]

**৪.০ উপন্যাসখনত প্ৰতিফলিত নাৰীকেন্দ্ৰিক সমস্যা সমাধানৰ উপায় ঃ**

অসমত বসতি স্থাপন কৰা পূৰ্ববংগীয় সমাজখনৰ নাৰীসকলৰ জীৱনৰ উত্তৰণৰ স্বাৰ্থত বিভিন্ন পদক্ষেপ ল'ব পৰা যায়। এগৰাকী নাৰীয়ে শিক্ষা লাভ কৰিলে পৰিয়ালৰ লগতে সমাজখনলৈ যথেষ্ট পৰিৱৰ্তন আহে। সেয়ে নাৰীসকলক শিক্ষিত আৰু সজাগ কৰি তোলাটো অত্যন্ত জৰুৰী। চৰ-চাপৰিৰ মুছলমান সমাজৰ প্ৰত্যেক গাঁৱত মহিলা সজাগতা সমিতি গঠন কৰি মহিলা সমাজক দায়িত্ব অৰ্পণ কৰিলে তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি হ'ব আৰু স্বাভিমানৰ প্ৰতি সজাগ হৈ উন্নত জীৱন যাপন কৰিব পাৰিব। চৰ-চাপৰিৰ মহিলা সমাজক আগবঢ়াই আনিব পাৰিলে তেওঁলোকে যুগ যুগৰ দাসত্ব মানি সন্তান জন্ম দিয়া আৰু কঠোৰ শ্ৰম কৰা যন্ত্ৰ হোৱাৰ বিপৰীতে অসমৰ উন্নত সমাজৰ মহিলাৰ সৈতে খোজতে খোজ মিলাই আগবাঢ়ি যাব পাৰিব। যেতিয়া তেওঁলোকে নিজেই সজাগ হ'ব তেতিয়া গৰ্ভত কিমানটা সন্তান ধাৰণ কৰিব লাগিব তাৰ সিদ্ধান্ত লৈ জনসংখ্যা নিয়ন্ত্ৰণত মুখ্য ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব।[১৫]

*কাঁহিবুনৰ মালিতাত* পূৰ্ববংগীয় সমাজখনৰ নাৰীকেন্দ্ৰিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত উপযুক্ত শিক্ষা আৰু সজাগতা সৃষ্টিৰ ইংগিত প্ৰদান কৰা হৈছে। সমাজত এজন ব্যক্তিয়ে উপযুক্ত শিক্ষা লাভ কৰিলে তেওঁৰ আশে-পাশে সজাগতা গঢ়ি তুলিবলৈ প্ৰয়াস কৰাটো জৰুৰী। উপন্যাসখনত ৰমিজে উচ্চশিক্ষাৰে শিক্ষিত হৈ পূৰ্ববংগীয় পিছপৰা সমাজখনত নাৰীৰ স্বাধীনতা আৰু অধিক সন্তান জন্মৰ বিৰোধিতাৰে নাৰীৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে। তেখেতে সমস্যা সমাধানৰ প্ৰক্ৰিয়া পৰিয়ালৰপৰাই আৰম্ভ কৰিবলৈ প্ৰয়াস কৰিছে। তেখেতৰ পত্নী ফিৰোজাই দ্বিতীয় সন্তানৰ প্ৰসংগ উত্থাপন কৰোঁতে ৰমিজে সাধ্য অনুসাৰে তেওঁলোকৰ কন্যা সন্তানটিকে উপযুক্তভাৱে প্ৰতিপালন কৰাটো জৰুৰী বুলি মন্তব্য কৰে। এইক্ষেত্ৰত পূৰ্ববংগীয় সমাজৰ নাৰীসকলে অতীতৰে পৰা ভুগি অহা দুটা সমস্যা সমাধানৰ দিশত ৰমিজে নিৰ্দেশ কৰিছে। প্ৰথমটো হৈছে, নাৰী আৰু সন্তানৰ উন্নত স্বাস্থ্যৰ বাবে জন্ম নিয়ন্ত্ৰণ আৰু দ্বিতীয়টো হৈছে নাৰীক উপযুক্ত শিক্ষা প্ৰদান কৰা। পূৰ্ববংগীয় সমাজখনত দৈনন্দিন

প্ৰয়োজনসমূহ পূৰণৰ বাবে যুঁজি থকা অৱস্থাত শিক্ষা গ্ৰহণৰ দৰে কাৰ্যক তেওঁলোকে গৌণ বুলিয়ে ধাৰণা কৰে। তেনে প্ৰেক্ষাপটত আবুৰত ৰাখিব বিচৰা নাৰীক শিক্ষিত কৰাৰ মানসিকতা অত্যন্ত কম লোকৰহে থাকে। ৰমিজে পৰিয়ালৰ লগতে সমাজৰ প্ৰত্যেকগৰাকী নাৰীকেই শিক্ষিত কৰি তোলাৰ প্ৰয়াস কৰিছিল। একোটা পৰিয়ালৰ বিকাশত শিক্ষিত নাৰীৰ যথেষ্ট অৱদান থাকে। সেয়ে নাৰী শিক্ষাৰ জৰিয়তে সমাজখনৰ উত্তৰণ ঘটোৱাৰ সম্ভাৱনীয়তাক অনুধাৱন কৰি এই দিশটোত ৰমিজে অধিক মনোনিৱেশ কৰিছিল। *কাঁহিবুনৰ মালিতাত* ৰমিজে জীয়েক মেহেকক শিক্ষা গ্ৰহণৰ সকলো সুবিধা প্ৰদান কৰে। তেখেতে পত্নী ফিৰোজাকো উচ্চশিক্ষা গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। পূৰ্ববংগীয় সমাজখনত পুৰুষতান্ত্ৰিকতাৰ প্ৰতিভূ এচাম মোল্লা-মৌলবী আৰু সংকীৰ্ণ মনোভাবৰ লোকে নাৰীৰ স্বাধীনতা কোনোপধ্যে সহ্য কৰিব পৰা নাছিল। তেওঁলোকে হদিচ আৰু শ্বৰিয়তৰ নামত নীতি-নিয়ম চলাই থাকে। তেওঁলোকৰ মতে নাৰীৰ শিক্ষা গ্ৰহণ, মুকলিকৈ নৃত্য-গীত প্ৰদৰ্শন, জন্ম নিয়ন্ত্ৰণ ইত্যাদি হৈছে সমাজৰ নীতি বহিৰ্ভূত প্ৰসংগ। কোৰআন, হদিচত নাৰীৰ কৰণীয়সমূহ লিখা আছে বুলি তেওঁলোকে এই ধৰ্মভীৰু সমাজখনত প্ৰচাৰ কৰি থাকে। আনহাতে, ৰমিজে নাৰীসকলক আনন্দমনেৰে মুকলিকৈ গীত গোৱা, বিহু সন্মিলনত নাচ-গান প্ৰদৰ্শন কৰা ইত্যাদি কাৰ্য্যত উৎসাহ যোগাইছিল। কিন্তু নাৰী মুক্তিক সহিব নোৱৰা এচামে এনেদৰে মন্তব্য প্ৰদান কৰিছে, *মাইকী মানুহক সব অধিকাৰ দিলে সমাজ ৰসাতলে যাব।*[১৬] এইক্ষেত্ৰত ৰমিজে ঘোৰ বিৰোধিতাৰে যুক্তি দিছিল,

*আপোনালোকে যে কৈছে ইছলামত নাচ-গান নিষিদ্ধ - আমাৰ দেশত দেখো নাচ-গান,*
*চিনেমা-নাটকৰ জগতখনত ইছলামধৰ্মী লোকেই বেছি। সেইবোৰ দেখোঁ সবেই চায়, শুনে।*
*আপোনালোকে চকুত কাপোৰ বান্ধি আৰু কাণত কপাহ দি থাকে নেকি?*[১৭]

উপন্যাসখনত ৰমিজ, আবিদ, আবেদুৰ ইত্যাদি চৰিত্ৰৰ জৰিয়তে একোখন প্ৰান্তীয় সমাজলৈ পৰিৱৰ্তন আনিবলৈ এচাম সংস্কাৰবাদী ব্যক্তিৰ আৱশ্যকতাক প্ৰতিফলিত কৰিছে। ব্যক্তিয়ে সমস্যা জৰ্জৰিত সমাজৰপৰা উন্নত জীৱনৰ অভিমুখে গতি কৰাৰ পাছত পুনৰ নিজ সমাজখনলৈ প্ৰত্যাৱৰ্তন নকৰে। উপন্যাসখনত ৰমিজে উচ্চশিক্ষা গ্ৰহণ কৰি পূৰ্ববংগীয় সমাজখনলৈ উভতি গৈছে আৰু প্ৰতিটো ক্ষেত্ৰতে সমাজৰ প্ৰগতিৰ কামত জড়িত হৈ পৰিছে। অধিক সন্তান জন্মৰ বিৰোধিতা, দুটা সন্তান জন্ম দিয়া, স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত কৰোৱা, বহুবিবাহক সমৰ্থন নকৰা ইত্যাদি কাৰ্য্যত ৰমিজে গুৰুত্ব দিছিল। চৰ-চাপৰি সমাজত ৰমিজৰ দৰে সমাজৰ হিত সাধন কৰিব পৰা ব্যক্তিৰ যথেষ্ট প্ৰয়োজন। ৰমিজে বহু উদ্যমী লোকৰ সহায়ত চৰ-চাপৰিৰ সমস্যাসমূহৰ প্ৰতি সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিভিন্ন বিদ্যায়তনিক আলোচনা সত্ৰত যোগদান কৰিছে। তেখেতে পূৰ্ববংগীয় সমাজৰ হিত সাধনৰ বাবে 'সমন্বয় আৰু মানৱতা মঞ্চ' নামৰ এক সহায়কাৰী সংস্থা গঢ়ি তুলিছিল। এই সংস্থাটোৰ জৰিয়তে ৰমিজে কেইজনমান উদ্যমী যুৱকৰ সহায়ত নিঃস্বাৰ্থভাৱে পূৰ্ববংগীয় সমাজৰ উন্নয়নমূলক কৰ্মত জড়িত হৈ পৰে। তেওঁলোকে চৰসমূহত মিটিং অনুষ্ঠিত কৰি নাৰীৰ স্বাস্থ্য, শিক্ষা, সন্তানৰ প্ৰতিপালন ইত্যাদি প্ৰসংগক মূল বিষয়হিচাপে গ্ৰহণ কৰিছে। উপন্যাসখনত নাৰী সম্পৰ্কীয় সমস্যাৰ সমাধানৰ ক্ষেত্ৰত শিক্ষিত সমাজখনক আগবাঢ়ি অহাৰ দিশটোত গুৰুত্ব প্ৰদান কৰা দেখা যায়। পূৰ্ববংগীয় সমাজৰ সদস্যই শিক্ষিত হৈ ৰমিজৰ দৰে উভতি আহি নিজা সমাজখনৰ বিকাশৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পাৰে। এই সমাজখনৰ প্ৰতিটো দিশৰ সৈতে সদস্যসকল পৰিচিত হোৱাৰ বাবে তেওঁলোকৰ তুলনাত অন্য সমাজৰ লোকে সমস্যাসমূহ বুজি পোৱাত কিছু অসুবিধা হয়। সেয়ে তেওঁলোকে





ব্যক্তিগত প্ৰচেষ্টাত একো একোটা সংস্থাৰ সৃষ্টি কৰি নাৰীসকলক সজাগ কৰি তুলিবলৈ চেষ্টা কৰাৰ থল আছে। নাৰীসকলৰ মন-মগজুত দকৈ স্থিতি লাভ কৰা পৰম্পৰাগত ধাৰণাসমূহক লাহে লাহে আঁতৰ কৰিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব। উপন্যাসখনত উপস্থাপন কৰা চৰিত্ৰ আমিনা আৰু ফিৰোজাৰ দৰে বহু প্ৰগতিশীল নাৰীয়ে সমাজৰ অযুক্তিকৰ নীতি-নিয়মসমূহ পৰিহাৰৰ বাবে কৰা প্ৰয়াস দৃষ্টিগোচৰ হৈছে। প্ৰকৃততে নাৰীসকলে অধিক পৰিমাণে পুৰুষতান্ত্ৰিক মানসিকতাক উত্তৰ প্ৰজন্মলৈ নিয়াৰ ক্ষেত্ৰত এক যোগসূত্ৰ হৈ পৰা দেখা যায়। সেয়ে তেওঁলোকক এই প্ৰসংগত সজাগ আৰু সচেতন কৰি তুলিব পাৰিলে পৰৱৰ্তী কোনো এটা প্ৰজন্মৰ সমাজখনত সমস্যাসমূহ হ্ৰাস পোৱাৰ সম্ভাৱনা প্ৰকট হৈ উঠে। অসমৰ অধিবাসী পূৰ্ববংগীয় লোকসকলৰ বিকাশৰ ক্ষেত্ৰত চৰকাৰী পক্ষ আৰু চৰ-চাপৰিবাসীয়ে ব্যক্তিগতভাৱে প্ৰয়াস কৰিলেহে তেওঁলোকৰ সমস্যাসমূহৰ সমাধান কৰিব পাৰিব। অৱশ্যে এচাম সুবিধাবাদী, অসৎ শিক্ষিত লোক আৰু ৰাজনীতিৰ সৈতে জড়িত লোকে পূৰ্ববংগীয় সমাজৰ বিকাশ সহ্য নকৰে। এই লোকসকল অজ্ঞ হৈ থাকিলেই তেওঁলোকৰ সকলো ক্ষেত্ৰতে লাভ হ'ব। সেয়ে তেওঁলোকে প্ৰগতিশীল লোকক প্ৰায়ে শত্ৰু হিচাপে ক্ষতি কৰিবলৈ আলচ কৰি থাকে; কিন্তু তেওঁলোকৰ কু-অভিসন্ধিসমূহক বাধা দি সমাজৰ গৰিষ্ঠসংখ্যক লোকক উলিয়াই আনিব পাৰিলেহে সমস্যাসমূহৰ ওৰ পৰিব বুলি আশা কৰিব পাৰি। উপন্যাসখনত উচ্চশিক্ষা গ্ৰহণেৰে সমাজৰ হিত সাধনৰ বাবে সকলোধৰণৰ প্ৰয়াস কৰা ৰমিজৰ বিপৰীতে আবিদৰ দৰে সুবিধাজনক স্থানত থাকিব খোজা চৰিত্ৰও আছে। আবিদৰ মতে প্ৰত্যেক মানুহে নিজৰ কৰ্তব্য সুচাৰুৰূপে পালন কৰিলেই এদিন সমাজখনৰ স্বাভাৱিকভাৱেই পৰিৱৰ্তন হ'ব; কিন্তু ৰমিজৰ দৃষ্টিত আবিদৰ দৰে শিক্ষিত সৎ মানুহবোৰে আগবাঢ়ি প্ৰত্যক্ষভাৱে সমাজৰ বিকাশৰ বাবে আঁচনি গ্ৰহণ কৰিলেহে এই প্ৰক্ৰিয়া কিছু পৰিমাণে ফলপ্ৰসু হ'ব। ৰমিজৰ মতে মানুহ নিজে সৎ হৈ থাকিলেই নহয়। অসৎবিলাককো চিনাক্ত কৰিব লাগিব। অসৎবিলাকৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তুলিব লাগিব। সেয়ে আবিদৰ দৰে নতুন প্ৰজন্মৰ সৎ ল'ৰাবোৰ আগবাঢ়ি অহাটো ৰমিজ মাষ্টৰে বিচাৰে।[১৮] উপন্যাসখনৰ জৰিয়তে চৰ-চাপৰিৰ শিক্ষিত সমাজক দায়িত্ব গ্ৰহণ কৰিবলৈ বাৰম্বাৰ আহ্বান জনোৱা দৃষ্টিগোচৰ হৈছে।

**৫.০ সামগ্ৰিক সিদ্ধান্ত ঃ**

'ৰুদ্ৰাণী শৰ্মাৰ *কাঁহিবুনৰ মালিতা* উপন্যাসত প্ৰতিফলিত অভিবাসী নাৰীৰ সামাজিক অৱস্থান' শীৰ্ষক প্ৰস্তুত অধ্যয়নটিৰ জৰিয়তে প্ৰাপ্ত সিদ্ধান্তসমূহ হৈছে এনেধৰণৰ —

- ঔপনিৱেশিক সময়ত অসমলৈ অভিবাসিত পূৰ্ববংগীয় সমাজখনত নাৰীসকলৰ অৱস্থান বৰ্তমানেও যথেষ্ট শোচনীয়। অভিবাসী এই নাৰীসকলে পূৰ্ববংগীয় সমাজখনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নিৰক্ষৰতা, সজাগতাৰ অভাৱ আৰু পুৰুষতান্ত্ৰিক মানসিকতাৰ ফলত নাৰীসকলে প্ৰতিটো ক্ষেত্ৰতে শাৰীৰিক আৰু মানসিক সমস্যাৰ সন্মুখীন হোৱা দিশটোক *কাঁহিবুনৰ মালিতা* উপন্যাসখনে প্ৰতিফলিত কৰিছে। অধিক সন্তান জন্ম দিয়াৰ ফলত নাৰীসকলৰ শৰীৰত বিসংগতিৰ সৃষ্টি হোৱা প্ৰসংগটোত উপন্যাসখনে বিশেষ গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হৈছে।
- পুৰুষতান্ত্ৰিক সমাজত নাৰীসকলৰ প্ৰতিৰোধৰ মানসিকতা কিছুক্ষেত্ৰত সুপ্ত হৈ থকা পৰিলক্ষিত হয়। নাৰীক সমাজে দুৰ্বল বুলি এক ব্যাখ্যান গঢ়ি তোলা দেখা গৈছে; কিন্তু অনগ্ৰসৰতাৰ মাজতো তেওঁলোকৰ মনত গঢ় লোৱা প্ৰতিৰোধৰ ধাৰণাই নাৰীক সাহসী কৰি তুলিছে। *কাঁহিবুনৰ মালিতা*উপন্যাসখনত আমিনা চৰিত্ৰটোৰ মাজেৰে অভিবাসী

নাৰীৰ শক্তিশালী স্বৰূপটোৰ প্ৰকাশ ঘটা পৰিলক্ষিত হৈছে।

- পূৰ্ববংগীয় সমাজখনক বহুক্ষেত্ৰত এচাম ধৰ্মান্ধ লোকে পৰিচালনা কৰি অহা পৰিলক্ষিত হৈছে। এনে লোকসকলে সমাজখনক নিজ স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰে। সেয়ে পূৰ্ববংগীয় সমাজৰ শিক্ষিত লোকে পুৰুষ আৰু নাৰী উভয়কে নাৰীকেন্দ্ৰিক সমস্যা সম্পৰ্কে অৱগত কৰি সজাগতা সৃষ্টি কৰাটো জৰুৰী হৈ পৰিছে। নাৰীসকলক সকলো ক্ষেত্ৰতে আগবাঢ়ি যাবলৈ সুবিধা প্ৰদান কৰি সমাজখনৰ পশ্চাৎপদতা আঁতৰ কৰিবলৈ উপন্যাসখনৰ মাজেৰে এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰা পৰিলক্ষিত হৈছে।

**প্ৰসংগ সূত্ৰ ঃ**

[১] সচ্ছিদানন্দ শইকীয়া, *সাহিত্যৰ সমাজতত্ত্ব*, উল্লিখিত, পৃ. ৩০

[২] ৰুদ্ৰাণী শৰ্মা, *কাঁহিবুনৰ মালিতা*, পৃ.৩০

[৩] আব্দুল মান্নান, অনুপ্ৰৱেশ, পৃ. ৮৪

[৪] Farhana Ahmed, *Chars, Women and Sustainable Development Goals in Assam*, 2018

[৫] ৰুদ্ৰাণী শৰ্মা, পূৰ্বোল্লিখিত, পৃ.৩৯

[৬] উল্লিখিত, পৃ.১৯৭

[৭] উল্লিখিত, পৃ.৯১

[৮] উল্লিখিত, পৃ. ৯৯

[৯] উল্লিখিত, পৃ.১০০

[১০] উল্লিখিত

[১১] উল্লিখিত, পৃ.৩৫

[১২] উল্লিখিত, পৃ.৯৬

[১৩] উল্লিখিত, পৃ.৯০

[১৪] উল্লিখিত, পৃ.১০৩

[১৫] ইছমাইল হোছেইন, *অসমীয়া মধ্যশ্ৰেণী আৰু চৰ-চাপৰি জনগোষ্ঠী*, পৃ.২৯





[১৬] ৰুদ্ৰাণী শৰ্মা, পূৰ্বোল্লিখিত, পৃ.১৮৩

[১৭] উল্লিখিত, পৃ.১৮৬

[১৮] উল্লিখিত, পৃ.২৩৪

**গ্ৰন্থপঞ্জী**

**মূল গ্ৰন্থ ঃ**

শৰ্মা, ৰুদ্ৰাণী. *কাঁহিবুনৰ মালিতা.* পূৰ্বায়ণ প্ৰকাশন, গুৱাহাটী, প্ৰথম সংস্কৰণ, ২০১৭

**প্ৰাসংগিক গ্ৰন্থ /গৱেষণা পত্ৰিকা/ আলোচনী/ ৱেবচাইট ঃ**

**অসমীয়া ঃ**

বৰ্মন, প্ৰসূন আৰু গোৰ্কী চক্ৰৱৰ্তী(সম্পা.). *চৰ-চাপৰি অৱলোকন-পুনৰৱলোকন.* বান্ধৱ গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০২০

বেজবৰা, নীৰাজনা মহন্ত. *সাহিত্যৰ সমাজতত্ত্ব ঃ সিদ্ধান্ত আৰু প্ৰয়োগ.* বনলতা ডিব্ৰুগড়, দ্বিতীয় সংস্কৰণ, ২০০১

মান্নান, আব্দুল. *অনুপ্ৰৱেশ ঃ অসম আন্দোলনৰ আদিকথা.* আয়না প্ৰকাশন গুৱাহাটী, দ্বিতীয় সংশোধিত সংস্কৰণ, ২০১৭

ৰহমান, আব্দুৰ. *অসমৰ মুছলমানসকল.* চন্দ্ৰ প্ৰকাশ গুৱাহাটী , দ্বিতীয় প্ৰকাশ, ২০১৩

শইকীয়া, সচ্চিদানন্দ. *সাহিত্যৰ সমাজতত্ত্ব*, অসমীয়া বিভাগ খোৱাং মহাবিদ্যালয় ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০১৯

শৰ্মা, শশী. *অসমৰ হিন্দু-মুছলমানৰ সাংস্কৃতিক সম্পৰ্ক.* ষ্টুডেণ্টচ্ ষ্ট'ৰচ্ গুৱাহাটী, প্ৰথম সংস্কৰণ,২০১৬

শ্বেখ, অহিজুদ্দিন. *চৰ-চাপৰিৰ ইতিবৃত্ত.* চন্দ্ৰ প্ৰকাশ গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৩

হোছেইন, ইছমাইল. *চৰ-চাপৰিৰ সমাজ সমীক্ষা.* অসম সাহিত্য সভা যোৰহাট, প্ৰথম প্ৰকাশ, ২০০১

- *অসমৰ চৰ-চাপৰিৰ জীৱন আৰু সমাজ.* অসম প্ৰকাশন পৰিষদ গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৮

- *অসমৰ মুছলমান ঐতিহ্য আৰু সংস্কৃতি.* বনলতা গুৱাহাটী, প্ৰথম সংস্কৰণ, ২০১৫

- *অসমীয়া মধ্যশ্ৰেণী আৰু চৰ-চাপৰি জনগোষ্ঠী.*পাঞ্চজন্য বুকছ্ গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০২০

আলোচনী ঃ

দাস, বিৰিঞ্চি কুমাৰ. "প্রান্তীয়কৰণৰ প্রসংগ আৰু ৰুদ্রাণী শর্মাৰ উপন্যাস", *গৰীয়সী*, সম্পা. ধ্রুৱজ্যোতি বৰা, অষ্টাবিংশ বর্ষ, নৱম সংখ্যা, জুলাই, ২০২১

শইকীয়া,বনিশা. "ৰুদ্রাণী শর্মাৰ *কাঁহিবুনৰ মালিতা* উপন্যাসত প্রতিফলিত অভিবাসনজড়িত সমাজৰ স্থিতি", *স্বর্ণলিপি*, সম্পা. হৃদয়ানন্দ গগৈ, দ্বাদশ বর্ষ, অষ্টম সংখ্যা, ছেপ্তেম্বৰ, ২০২২

ইংৰাজী ঃ

Ahmed,Farhana. "Chars, Women and Sustainable Development Goals in Assam". *Counter Currents*, 2018, https://countercurrents.org/2018/07/chars-women-and-sustainable-development-goals-in-assam/

Elahi, Ashique. "The Economic Status and Poverty of Residents in the Char Region of Assam". *JETIR*, 2023;10(12):157-166.

www.jetir.org

Kumar, B., & Das. D. "Livelihood of the Char Dwellers of Western Assam." *Indian Jurnal of Human Development*. 2019; 13(1):91-101.

https://ideas.repec.org/a/sae/inddev/v13y2019i1p90-101.html

Saikia, Runjun. "Status of Women in India with Special Reference to Assam". *International Journal of Research Culture Society* vol.4, May 2020, pp. 259-261.

https://ijrcs.org/wp-content/uploads/IJRCS202005049.pdf

Tumbe, Chinmay. *India Moving A History of Migration*. Penguin Random House India, 2018.